আজিৰ কাকত আজিয়েই

অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com

e সংবাদ

Sacn to Donate

NEWSNEXTONE.COM

WEDNESDAY, FEBRUARY 21, 2024>> 10 PM **www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫৫** Guwahati, Assam ।। মূল্যঃ এটকা



পঞ্জাৱ-হাৰিয়ানাৰ শম্ভু সীমান্তত আৰক্ষীৰ কন্দুৱা গেছৰ প্ৰত্যাহ্বান জনাই কৃষকৰ জলকীয়া গুড়ি নিক্ষেপ

## বিধানসভাত মন্ত্ৰী পীযুষৰ বিশেষ বিধেয়ক উত্থাপন

# বেজ-কবিৰাজৰ বিজ্ঞাপনত নিষেধাজ্ঞা!

ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ **অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু ধৰ্মীয় গোড়ামিয়ে সমাজখনক জটিল দিশৰ পিনে লৈ গৈছে। অন্ধবিশ্বাস, কুসংস্কাৰ দূৰীকৰণ দূৰৰ কথা উচ্চশিক্ষিত লোকেও আজি অন্ধবিশ্বাসৰ ৰশবৰ্তী হৈছে। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে গৈ জনসাধাৰণৰ মাজত বিজ্ঞানমনস্কতাৰ প্ৰসাৰ কৰিবলৈ আগ্ৰহী নহয় ৰাজ্য চৰকাৰ আৰু বিভিন্ন সংস্থা। তেনে সময়তে বহু পলমকৈ হ'লেও ৰাজ্য চৰকাৰৰ** শেষাংশ ২ পৃষ্ঠাত

## গৰুখুঁটি প্ৰকল্প

# ১৭ কোটি খৰছ, পালে ২ কোটি!

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰীৰ সপোনৰ প্ৰকল্প গৰুখুঁটি প্ৰকল্পৰ নাজল-নাথল অৱস্থাক লৈ বুধবাৰে উত্তপ্ত হৈ পৰিল শেষাংশ ৪ পৃষ্ঠাত

# অৱশেষত উত্তৰপ্ৰদেশত মিলিল অংক


**নতুন দিল্লী, ২১ ফেব্ৰুৱাৰীঃ** দেশৰ ভিতৰত সবাতোকৈ বেছি লোকসভা আসন থকা উত্তৰ প্ৰদেশত বৃদ্ধি পালে ইণ্ডিয়া মিত্ৰজোঁটৰ শক্তি। বহু জল্পনা-কল্পনাৰ অন্তত ৮০ খন লোকসভা আসন থকা উত্তৰ শেষাংশ ৩ পৃষ্ঠাত

# লাভগুৰু ৰূপজ্যোতি

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** অসম বিধানসভা ভৰি পৰিছে বিভিন্ন বিশেষজ্ঞ জনপ্ৰতিনিধিৰে। প্ৰতিটো কথা-কামৰে শেষাংশ ২ পৃষ্ঠাত

# কৃষক আন্দোলনত আৰক্ষীৰ বৰ্বৰতাই প্ৰাণ কাঢ়িলে যুৱ কৃষকৰ

**নতুন দিল্লী, ২১ ফেব্ৰুৱাৰীঃ** নিজৰ অধিকাৰৰ দাবীৰে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে আন্দোলনত নমা কৃষকৰ ওপৰত আৰক্ষীৰ দমনমূলক অত্যাচাৰে পুনৰ প্ৰাণ কাঢ়িলে কৃষকৰ। বুধবাৰে হাৰিয়ানাৰ শম্ভু সীমান্তত এগৰাকী ২৪ বৰ্ষীয় যুৱ কৃষকৰ মৃত্যুৰ পিছতে সৃষ্টি হয় তীব্ৰ শেষাংশ ২ পৃষ্ঠাত



কাজিৰঙাৰ এইখন ফটো টুইট মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ

# বহিৰাগতৰ বিৰুদ্ধে একত্ৰিত কাৰ্বি দল-সংগঠন

**ই-সংবাদ, ডিফু, ২১ ফেব্ৰুৱাৰীঃ** হিন্দীভাষীয়ে কাৰ্বি ছাত্ৰ সংগঠনৰ নেতাক আক্ৰমণৰ পাছতে কাৰ্বি ভূমিত চৰকাৰী ভূমিৰ অবৈধ দখল উচ্ছেদৰ দাবী উত্থাপন হৈছে। দল-মত নিৰ্বিশেষে একস্বৰে উঠিছিল এই দাবী। আসন্ন বিপদক উপলব্ধি কৰি



আজি উচ্ছেদৰ দাবীত মোহৰ লগালে কাৰ্বি ভূমিৰ জনজাতীয় নেতৃত্বই। ৰাজনীতিৰ উৰ্ধলৈ গৈ দল-মত নিৰ্বিশেষে উচ্ছেদৰ সমৰ্থনত মত দিলে। হিন্দীভাষীয়ে কাৰ্বি আংলঙৰ সংৰক্ষিত চৰকাৰী ভূমিৰ পট্টা বিচাৰি ৰাষ্ট্ৰপতিক স্মাৰক শেষাংশ ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# বেজ-কবিৰাজৰ বিজ্ঞাপনত

ৰাজ্য চৰকাৰৰ চকু খোল খাইছে৷ অন্ধবিশ্বাস, কুসংস্কাৰ দূৰীকৰণৰ বাবে বিশেষ ব্যৱস্থা নকৰিলেও ৰাজ্য চৰকাৰে বেজৰ বেজালী আৰু জৰাফুকা বন্ধ কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে৷ এতিয়াৰ পৰা অসমত স্বাস্থ্য সেৱাৰ নামত বেজ-কবিৰাজৰ বেজালী আৰু জৰা-ফুকা নচলিব৷ যদি কোনো বেজ-কবিৰাজে বেজালী, জৰা-ফুকা কৰে তেন্তে জেললৈ যাব লাগিব৷ বেজালী, জৰা-ফুকাৰ দৰে অন্ধবিশ্বাস দূৰ কৰিবলৈ চৰকাৰে আনিছে বিশেষ বিধেয়ক৷ আজি বিধানসভাত এই বিধেয়ক উত্থাপন কৰে মন্ত্ৰী পীযুষ হাজৰিকাই৷ এই বিধেয়কখন হৈছে অশুভ প্ৰথা নিৰাময় বিধেয়ক-২০২৪। এই বিধেয়ক আইনত পৰিণত হোৱাৰ পাছতে বেজালী, জৰা-ফুকাৰ বিজ্ঞাপন সম্পূৰ্ণৰূপে বন্ধ হ'ব৷ বিজ্ঞাপন প্ৰচাৰ কৰিলে ১ৰ পৰা ৫ বছৰ কাৰাবাস খাটিব লাগিব৷৷ ১ লাখ টকা পৰ্যন্ত জৰিমনা বিহাৰো ব্যৱস্থা সন্নিৱিষ্ট কৰিছে ৰাজ্য চৰকাৰে৷ আইনখনৰ উদ্দেশ্য হৈছে সামাজিক জাগৰণ সৃষ্টি কৰা৷ অজ্ঞতা আৰু অবিজ্ঞানসন্মত স্বাস্থ্য সেৱা ৰোধ কৰা৷ ক্ষতিকাৰক প্ৰথা ৰোধ কৰি জনস্বাস্থ্য সুৰক্ষিত কৰিবলৈ আৰু সুৰক্ষিত, বিজ্ঞান-আধাৰিত পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়াস কৰিব চৰকাৰে। বিধেয়কৰ ধাৰা ৩ অনুসৰি চৰকাৰক কিছু ৰোগ আৰু স্বাস্থ্য বিকাৰৰ চিকিৎসাৰ বাবে অশুভ বা যাদুকৰী আৰোগ্য পদ্ধতি নিষিদ্ধ হ'ব। লগতে, ধাৰা ৪ৰ মতে, চৰকাৰক এনে ধৰণৰ প্ৰথাৰ বাবে বিভ্ৰান্তিকৰ বিজ্ঞাপন নিষিদ্ধ হ'ব। ধাৰা ৫ত এনেধৰণৰ যিকোনো কাৰ্য বা প্ৰচাৰৰ বাবে শাস্তি আৰোপ কৰাৰ ব্যৱস্থা প্ৰদান কৰিছে। দোষী সাব্যস্ত হ'লে পাঁচ বছৰলৈকে কাৰাবাস বা ১ লাখ টকাৰ জৰিমনা বা দুয়োটা হ'ব পাৰে। ধাৰা ৯ত আৰক্ষী বিষয়াসকলক ভিজিলেন্স বিষয়া হিচাপে নিযুক্তি দিয়াৰ ক্ষমতা প্ৰদান কৰিছে। বিধেয়কখনৰ ধাৰা ১৬ত বিধেয়কৰ ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ বাবে চৰকাৰক নিয়ম প্ৰস্তুত কৰাৰ ক্ষমতা প্ৰদান কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কৃষক আন্দোলনত আৰক্ষীৰ

প্ৰতিক্ৰিয়াৰ। কৃষক সংগঠনে অভিযোগ কৰা মতে, কৃষকক বাধা দিবলৈ আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ বাবে মৃত্যু ঘটে যুৱকজনৰ। নিহত আন্দোলনাকীৰ কৃষকজনৰ নাম শুভকৰণ সিং বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, নূন্যতম সমৰ্থন মূল্য, পেঞ্চন আদি একাধিক দাবীৰে পুনৰ এবাৰ ৰাজপথত নামিছে দেশৰ কৃষক। পঞ্জাৱ, হাৰিয়ানা আদি ৰাজ্যৰ শ শ কৃষকে নিজৰ অধিকাৰৰ দাবীৰে দিল্লী অভিমুখে যাত্ৰা কৰিছে। আনহাতে এই প্ৰতিবাদী কৃষকসকলক বাধা দিবলৈ বিভিন্ন পন্থা অৱলম্বন কৰা দেখা গৈছে কেন্দ্ৰীয় চৰকাৰ আৰু আৰক্ষীক। ঠায়ে ঠায়ে ৰাজপথৰ ওপৰত গজাল পুতি, লোহাৰ বেৰিকেড দি আৰু আন্দোলনকাৰী কৃষকৰ ওপৰত জলবোমা কন্দুৱা গেছ নিক্ষেপ কৰি কৃষকক বাধা দিবলৈ আৰক্ষীয়ে চেষ্টা চলাইছে। হাৰিয়ানাৰ শম্ভু সীমান্তত আৰক্ষীয়ে এনেদৰে আন্দোলনকাৰী কৃষকৰ ওপৰত কন্দুৱা গেছ নিক্ষেপ কৰাৰ পিছতে গুৰুতৰভাৱে অসুস্থ হৈ পৰে ২৪ বৰ্ষীয় কৃষক শুভকৰণ সিং। ইয়াৰ পিছতে যুৱকজনক হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইফালে হাৰিয়ানা আৰক্ষীয়ে এই সমগ্ৰ বিষয়টো অস্বীকাৰ কৰিছে। আৰক্ষীৰ মতে, সীমান্তত বুধবাৰে পুৱা আৰক্ষী আৰু কৃষকৰ মাজত সংঘাত আৰম্ভ হয়, য'ত দুগৰাকী আৰক্ষী জোৱান আৰু এগৰাকী কৃষক আহত হয়। কিন্তু এই সংঘাতৰ সময়ত কোনো কৃষকৰ মৃত্যু ঘটা নাই বুলি দাবী কৰে হাৰিয়ানা আৰক্ষীয়ে। আনফালে আন্দোলনকাৰী কৃষক সংগঠন কিষাণ মৰ্চাৰ নেতা জগজিৎ সিং দলেৱালে কয় যে পঞ্জাৱ-শম্ভু সীমান্তত গণতান্ত্ৰিকভাৱে আন্দোলন কৰি থকা কৃষকৰ ওপৰত আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰে, যাৰ ফলতে যুৱ কৃষকগৰাকীৰ মৃত্যু ঘটে। তেওঁ আৰক্ষী আৰু চৰকাৰক সকীয়াই দি কয়, 'আমাক আঘাত হানিলে আমি মনে মনে বহি নাথাকো। উচিত প্ৰত্যুত্তৰ আমিও দিব জানো।' উল্লেখ্য যে, ১৩ ফেব্ৰুৱাৰীৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে 'হাল্লা বোল' আন্দোলন আৰম্ভ কৰা কৃষকৰ সৈতে মোদী চৰকাৰে তিনিবাৰ আলোচনাত লিপ্ত হৈছে যদিও কৃষকৰ দাবীক চৰকাৰে এবাৰলৈও গুৰুত্ব দিয়া নাই বুলি মন্তব্য কৰিছে আন্দোলনকাৰী কৃষক সংগঠনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লাভগুৰু ৰূপজ্যোতি

বিশেষজ্ঞ জনপ্ৰতিনিধি মজুত আছে অসম বিধানসভাত৷ এইবাৰ লাভগুৰু ওলাইছে অসম বিধানসভাত৷ লাভগুৰু হৈছে মৰিয়নীয়াৰ বহু বিতৰ্কিত বিধায়ক ৰূপজ্যোতি কূৰ্মী৷ অসম বিধানসভাৰ অধিবেশনত আজি প্ৰেমৰ সংজ্ঞা দিলে বিধায়ক কূৰ্মীয়ে৷ প্ৰকৃততে প্ৰেম কি? প্ৰেম হৈছে এটা নাৰিকল৷ যাক দুড়াল পাইপেৰে প্ৰেমিক-প্ৰেমিকাই একেলগে খাব পাৰে। এই প্ৰেমৰ বিচ্ছেদ নহয়। কংগ্ৰেছত ভূপেন বৰা, ৰকিবুল হুছেইন, দেৱব্ৰত শইকীয়াৰ মাজত প্ৰেম আছে। ভেলেণ্টাইন ডে'ৰ দিনটোতে কাকো ৰাখিব নোৱাৰিলে। প্ৰকৃততে বিধানসভাত কংগ্ৰেছ আৰু ইউডিএফৰ মাজৰ সু-সম্পৰ্কৰ কথা ক'বলৈ গৈ কূৰ্মীয়ে কংগ্ৰেছ আৰু ইউডিএফক ইতিকিং কৰে৷ ৰূপজ্যোতি কূৰ্মীয়ে কয় যে সূৰ্য, চন্দ্ৰ, বায়ু, পানী থকালৈ প্ৰেম থাকিব। প্ৰেম এনেকুৱাই। তাৰ লগে লগে প্ৰেম হ'লে কংগ্ৰেছ আৰু ইউডিএফৰ দৰে হ'ব লাগে। লাড়ু বনাই বিয়া পাতিম বুলি ভাবিছিল ইউডিএফে৷ সেই লাড়ুৰে বিয়া পাতিলে কংগ্ৰেছে। সদনত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ৰূপজ্যোতি কূৰ্মীৰ মাতৃয়ে কেনেকৈ মন্ত্ৰীত্ব লাভ কৰিছিল সেই প্ৰসংগ টানি আনিছিল৷ তাৰ পাছতে বিধায়ক কূৰ্মীয়ে নিজ মাতৃৰ প্ৰসংগ টানি আনি কয় যে মোৰ মাতৃক অপমান কৰিছে দেৱব্ৰত শইকীয়াই। মোৰ মৃত মাতৃৰ নাম লৈ সস্তীয়া ৰাজনীতি কৰিছে দেৱব্ৰত শইকীয়াই। কংগ্ৰেছৰ বাবে মায়ে কিমান কৰিছিল দেখিছিলো। কিন্তু মায়ে সন্মান নাপালে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বহিৰাগতৰ বিৰুদ্ধে একত্ৰিত কাৰ্বি

পত্ৰ প্ৰদানৰ পাছতে কাৰ্বি ছাত্ৰ সন্থাই উলিওৱা মিছিলত আক্ৰমণ কৰিছিল হিন্দীভাষীয়ে৷ তাৰ পাছৰে পৰা উত্তপ্ত হৈ আছে কাৰ্বি আংলং৷ তাৰ মাজতে আজি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ আহ্বানত বিশেষ বৈঠক অনুষ্ঠিত হয়৷ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত কাৰ্বি আংলঙৰ চৰকাৰী পিজিআৰ আৰু ভিজিআৰ ভূমি দখল কৰি বসবাস কৰি থকা সকলো লোকক উচ্ছেদ কৰাৰ সিদ্ধান্ত লয়৷ মুখ্য কাৰ্যবাহী, কাৰ্যবাহী-সদস্যসকল, প্ৰাক্তন স্বায়ত্তশাসিত পৰিষদৰ সদস্যসকল, ছাত্ৰ সংগঠন, সামাজিক সংগঠন আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে দুটা পৰ্যায়ত হোৱা পৰ্যালোচনাৰ অন্তত এই ঘোষণা কৰে। যোৱা সপ্তাহত পশ্চিম কাৰ্বি আংলং জিলাৰ পিজিআৰ আৰু ভিজিআৰ অঞ্চলত ভূমি বসতিক লৈ দুটা সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ লাগিছিল৷ সংঘৰ্ষৰ পাছতে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে বৈঠকৰ আহ্বান কৰিছিল৷ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ অধীনৰ দুই জনজাতীয় জিলা কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ গাঁও সংৰক্ষিত এলেকা আৰু প্ৰস্তাৱিত গ্ৰেজিং ৰিজাৰ্ভৰ অবৈধ বসতি স্থাপনকাৰীক বুধবাৰৰ পৰা জাননী জাৰি কৰা হ'ব। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বেদখলকাৰীসকলক উচ্ছেদ কৰাৰ সিদ্ধান্ত লয়। কাইলৈৰ পৰা, আমি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ ভূমিৰ সকলো বেদখলকাৰীক জাননী জাৰি কৰা আৰম্ভ কৰিম। আদালতৰ আদেশৰ সৈতে সংগতি ৰাখি এছঅ'পি প্ৰস্তুত কৰাও আৰম্ভ কৰিম বুলি কয় পৰিষদৰ নেতৃত্বই। পৰিষদৰ মুখ্য সচিবে জাৰি কৰা এখন জাননীত কোৱা হৈছে যে ভাৰতৰ সংবিধানক ষষ্ঠ অনুসূচীৰ অনুচ্ছেদ ৩(১)(ক)ৰ অধীনত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক ক্ষমতা প্ৰদান কৰিছে৷ এই ক্ষমতা প্ৰয়োগ কৰি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে কাৰ্বি আংলং (ভূমি আৰু ৰাজহ) আইন, ১৯৫৩ প্ৰণয়ন কৰে৷ যাৰ দ্বাৰা অসম ভূমি আৰু ৰাজহ নিয়ম ১৮৮৬ৰ মতে, স্বায়ত্ত পৰিষদ অননুমোদিত কৰ্তৃপক্ষ। সেয়েহে, বেদখলকাৰীয়ে পিজিআৰ-ভিজিআৰ ভূমি দখল কৰাৰ কথা বিবেচনা কৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ কৰ্তৃপক্ষই হকাৰী ৰাজহ বিষয়া ডনিকা ৰাজহ চক্ৰক অকৰ্তৃত্বশীল অধিবাসীসকলক উচ্ছেদ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুৱে কাৰ্বি যুৱ মহোৎসৱত অংশ লোৱাৰ উদ্দেশ্যে ১৭ জানুৱাৰীত কাৰ্বি আংলং ভ্ৰমণ কৰাৰ কথা আছিল৷ কিন্তু বতৰৰ বাবে মেঘালয়তে ভ্ৰমণ সামৰিব লগা হয় ৰাষ্ট্ৰপতি মুৰ্মুৱে৷ সেই সময়ত কাৰ্বি আলংঙৰ ভোজপুৰী ছাত্ৰ সন্থাই মেঘালয়ত ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰা বুলি খবৰ প্ৰকাশ পায়৷ সাক্ষাতৰ সময়ত এখন স্মাৰকপত্ৰ প্ৰদান কৰি কাৰ্বি আংলঙৰ (পিজিআৰ-ভিজিআৰ) চৰকাৰী সংৰক্ষিত ভূমিৰ পট্টা হিন্দীভাষীক প্ৰদানৰ দাবী জনায়৷ এই কথা ৰাজহুৱা হোৱাৰ পাছতে দুই পাহাৰীয়া জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ তাৰ পাছতে কাৰ্বি আংলঙৰ পশ্চিম কাৰ্বি আংলং জিলাত পিজিআৰ-ভিজিআৰ ভূমিৰ অবৈধ দখল উচ্ছেদৰ দাবী জনাই ৰাজনৈতিক দল এএছডিচিৰ ভাতৃ যুৱ সংগঠন আৰু কাৰ্বি ছাত্ৰ সন্থাই মিছিল উলিয়াইছিল৷ মিছিল উলিওৱাৰ সময়তে খেৰণিত দুৰ্বৃত্তই আক্ৰমণ কৰে৷ ফলত ১৪৪ ধাৰা জাৰি কৰা হয়৷ নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়৷ চাৰি দিনেই ভয়াবহ পৰিস্থিতিৰ মাজত পাৰ কৰাত পৰিষদে আলোচনা কৰাৰ প্ৰস্তাৱ দিছিল৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত উত্তৰপ্ৰদেশত মিলিল

প্ৰদেশত কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীৰ মাজত আজি আনুষ্ঠানিক মিত্ৰতা ঘোষণা কৰা হৈছে৷ আজি লক্ষ্ণৌত এক সাংবাদমেল যোগে দুয়োটা দলৰ নেতাই সংবাদমেল সম্বোধন কৰি মিত্ৰতা কৰি নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ ঘোষণা কৰে৷ আগন্তুক লোকসভা নিৰ্বাচনত বিজেপিক পৰাভূত কৰিবলৈ দল দুটাই হাতে হাত ধৰি ৰণাঙ্গনত নামিবলৈ সিদ্ধান্ত চূড়ান্ত কৰে। বিগত সময়ত ৰাজ্যখনত 'ইণ্ডিয়া' মিত্ৰজোঁটৰ ভৱিষ্যতক লৈ জল্পনা-কল্পনা চলি থকাৰ সময়তে অৱশেষত কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীয়ে ঐক্যবদ্ধভাৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। বুধবাৰে বিয়লি লক্ষ্ণৌত এখন যৌথ সংবাদমেল সম্বোধন কৰি এই মিত্ৰতা ৰাজহুৱা কৰে দুয়োটা দলে। কংগ্ৰেছৰ হৈ দলৰ ৰাজ্যিক সভাপতি অজয় ৰায় আৰু এ আই চি চিৰ সাধাৰণ সম্পাদক অবিনাশ পাণ্ডে আৰু সমাজবাদী পাৰ্টীৰ উত্তৰ প্ৰদেশ শাখাৰ মুৰব্বী নৰেশ উত্তম পেটেল আৰু ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ৰাজেন্দ্ৰ চৌধুৰী এই যুটীয়া সংবাদমেলত উপস্থিত থাকে। সূত্ৰৰ মতে, ৮০ খন লোকসভা আসন থকা উত্তৰ প্ৰদেশত ১৭ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব কংগ্ৰেছে। আনহাতে চুবুৰীয়া ৰাজ্য মধ্যপ্ৰদেশৰ খাজুৰাহো লোকসভা সমষ্টিত কংগ্ৰেছৰ সমৰ্থনত প্ৰতিদ্বন্দ্বিতা কৰিব সমাজবাদী পাৰ্টীয়ে। সংবাদ মেলত এছ পিৰ নেতা নৰেশ উত্তম পেটেলে কয় যে কংগ্ৰেছে ৰাজ্যখনত ৰায় বৰেলী, আমেথি, গাজিয়াবাদ, কানপুৰ আৰু আন ১২ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাত কংগ্ৰেছ নেতা অবিনাশ পাণ্ডেয়ে কয় যে সমাজবাদী পাৰ্টিয়ে তেওঁলোকৰ ভাগৰ ৬৩ খন আসন আন আন সহযোগী দলৰ সৈতে ভাগ-বতৰা কৰিব পাৰে। কংগ্ৰেছৰ এক সূত্ৰ অনুসৰি, উত্তৰ প্ৰদেশত কংগ্ৰেছে ২৮ খন আসন দাবী কৰিছিল, কিন্তু অখিলেশ যাদৱৰ দলে ১৭ খন আসনৰ বাবেহে মান্তি হৈছিল। ইয়াকে লৈ দুয়োটা দলৰ মাজত সংঘাত আৰম্ভ হয়। অৱশ্যে পিছত প্ৰিয়ংকা গান্ধীৰ হস্তক্ষেপত এই সংঘাত দূৰ কৰি অৱশেষত মিত্ৰতা ঘোষণা কৰে দুয়োটা দলে। মঙলবাৰে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে কৈছিল যে তেওঁৰ ৰাহুল গান্ধীৰ সৈতে কোনো মতবিৰোধ নাই। দুয়োটা দলে লোকসভা নিৰ্বাচনত ঐক্যবদ্ধভাৱে যুঁজ দিয়াৰ ইংগিত অখিলেশ যাদৱে প্ৰদান কৰাৰ পিছতে বুধবাৰে এই মিত্ৰতা ঘোষণা কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৭ কোটি খৰছ, পালে ২ কোটি!

বিধানসভাৰ চৌহদ। ৮০০ পৰিয়ালক উচ্ছেদ কৰি দৰং জিলাৰ ছিপাঝাৰত গৰুখুঁটিত স্থাপন কৰা কৃষিভিত্তিক অভিলাসী প্ৰকল্পটোৰ আঢ়ৈ বছৰৰ ব্যয় প্ৰায় ১৭ কোটি টকাৰ বিপৰীতে উপাৰ্জন হৈছে কেৱল প্ৰায় আঢ়ৈ কোটি টকা। বিধানসভাৰ মজিয়াত গৰুখুঁটি প্ৰকল্পক লৈ সোধা প্ৰশ্নৰ লিখিত উত্তৰত এই তথ্য প্ৰদান কৰিছে কৃষিমন্ত্ৰী অতুল বৰাই। বৰাই জানিবলৈ দিয়া মতে, বিগত বছৰত গৰুখুঁটি প্ৰকল্পৰ বাবদ চৰকাৰৰ পৰা লাভ কৰা আৰু বিভিন্ন কামত ব্যয় কৰা ধনৰ পৰিমাণ হৈছে মুঠ ১৭,৬৭,৯৩,৩৪৮ টকা। ইয়াৰে ৯,৫২,৯৩,৩৪ টকা প্ৰকল্পটো দৰং জিলা উপায়ুক্ত কাৰ্যালয়ৰ দ্বাৰা পৰিচালিত হৈ থকা সময়ত লাভ কৰাৰ বিপৰীতে বাকী ৮,১৫,০০০০০০ টকা লাভ হৈছিল গৰুখুঁটি প্ৰকল্প সমিতিৰ জৰিয়তে পৰিচালনাৰ সময়ত। চৰকাৰে প্ৰদান কৰা তথ্য অনুসৰি, গৰুখুঁটি প্ৰকল্পৰ বীজ, সাৰ, ঔষধ, ট্ৰেক্টৰ, তেল আদিৰ খৰছৰ বাবদ বিগত আঢ়ৈ বছৰত ব্যয় হৈছে ৩,৩০,৪৮,৯৯৩ টকা। কিন্তু এই সকলোবোৰৰ বিপৰীতে এই অভিলাসী প্ৰকল্পৰ পৰা এতিয়ালৈকে হোৱা মুঠ উপাৰ্জন হৈছে কেৱল ২,৭৯,৭৬,৬২৪ টকা। অৱশ্যে এতিয়াও চপাবলৈ বাকী থকা ১৪৭৭ বিঘা মাকৈ খেতি আৰু ৭১৭ বিঘা সৰিয়হ খেতি আৰু কিছু ৰঙালাও খেতিৰ পৰা চলিত বৰ্ষটোত ১ কোটি ৫৮ লাখ টকা উপাৰ্জনৰ আশা কৰা হৈছে। প্ৰশ্নৰ লিখিত উত্তৰত কৃষিমন্ত্ৰী অতুল বৰাই প্ৰদান কৰা তথ্য মতে, শাক-পাচলি, তিল, জালুক, ৰঙালাও আদি খেতিৰ পৰা গৰুখুঁটি প্ৰকল্পই প্ৰথম বৰ্ষত ৯৭,৬০,৫৬৩ টকা উপাৰ্জন কৰাৰ লগতে দ্বিতীয় বৰ্ষত অৰ্থাৎ গৰুঁখুটি বহুমুখী সমবায় সমিতিৰ দ্বাৰা পৰিচালনাৰ সময়ত উপাৰ্জন কৰিছে ১,৮২,১৬,০৬১ টকা। আজি বিধানসভাৰ মজিয়াত কৃষি মন্ত্ৰীয়ে এই তথ্য প্ৰদান কৰি গৰুখুঁটি প্ৰকল্প মুখ্যমন্ত্ৰীৰ সপোনৰ প্ৰকল্প বুলি অভিহিত কৰে। আনহাতে চৰকাৰে দাখিল কৰা প্ৰকল্পখনৰ এই তথ্যৰ পিছতে চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বিৰোধী। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে এই তথ্য সন্দৰ্ভত অসম চৰকাৰক জবাবদিহি কৰে। ১৭ কোটি টকা ব্যয় কৰি কেৱল ২ কোটি টকা উপাৰ্জন কৰা প্ৰকল্প পৃথিৱীৰ আন ক'ৰবাত আছে নে বুলিও প্ৰশ্ন কৰে অখিল গগৈয়ে। উল্লেখ্য যে, ২০২১ চনৰ জুন মাহত দৰং জিলাৰ ছিপাঝাৰাৰ গৰুখুঁটিত প্ৰায় ৮০০টা বঙালীভাষী মুছলমান পৰিয়ালক উচ্ছেদ কৰি আৰম্ভ কৰা হৈছিল অভিলাসী কৃষিভিত্তিক প্ৰকল্পটোৰ। বিধায়ক পদ্ম হাজৰিকাৰ অধ্যক্ষতাত এই প্ৰকল্পটোৰ বাবে এখন ১১ জনীয়া সমিতি গঠন কৰা হৈছিল। এই প্ৰকল্পৰ জৰিয়তে অসমৰ থলুৱা যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব বুলি দাবী কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইফালে প্ৰকল্পটোৰ বাবে অসম চৰকাৰে ২০২২ চনৰ মাৰ্চ মাহৰ ভিতৰত গুজৰাটৰ পৰা ২০০০টা গিৰ গাই অনাৰ কথা ঘোষণা কৰিছিল যদিও অভিযোগ অনুসৰি বৰ্তমান গৰুখুঁটিত মাত্ৰ ৩০০ টাহে গিৰ গাই আছে। অসম চৰকাৰৰ এই ব্যয়বহুল প্ৰকল্পটো স্থাপন আৰু কাম-কাজক লৈও বিগত সময়ত বহু প্ৰশ্নৰ অৱতাৰণা হৈ আহিছে।

# পিঁয়াজৰ ৰপ্তানিত কেন্দ্ৰীয় চৰকাৰৰ নিষেধাজ্ঞা অব্যাহত

**নতুন দিল্লী, ২১ ফেব্ৰুৱাৰীঃ** উঠাই লোৱা হোৱা নাই পিঁয়াজৰ ৰপ্তানিৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰা নিষেধাজ্ঞা। শেহতীয়াকৈ পিঁয়াজৰ ৰপ্তানি আৰু মূল্য বৃদ্ধিৰ সম্ভাৱনাক লৈ ব্যৱসায়ীসকল বিমোৰত পৰাৰ পৰিস্থিতিত পিঁয়াজক ৰপ্তানিক লৈ এই বিভ্ৰান্তি দূৰ কৰি এক বিবৃতি জাৰি কৰে কেন্দ্ৰীয় চৰকাৰে। উপভোক্তা পৰিক্ৰমা সচিব ৰোহিত কুমাৰ সিঙে বিবৃতিযোগে স্পষ্ট কৰা মতে, ২০২৪ চনৰ ৩১ মাৰ্চলৈকে অব্যাহত থাকিব পিঁয়াজৰ ৰপ্তানিৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা। উল্লেখ্য যে, ঘৰুৱা বজাৰত পিঁয়াজৰ অভাৱনীয় মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ পৰিপ্ৰেক্ষিতত ২০২৩ৰ ৮ ডিচেম্বৰৰ পৰা ২০২৪ৰ ৩১ মাৰ্চ পৰ্যন্ত পিঁয়াজৰ ৰপ্তানিত নিষেধাজ্ঞা আৰোপ কৰিছিল কেন্দ্ৰীয় চৰকাৰে। কিন্তু শেহতীয়াকৈ এই নিষেধাজ্ঞা উঠাই লোৱা বুলি চৰ্চা চলাৰ পিছতে বজাৰত হঠাৎ বৃদ্ধি পায় পিঁয়াজৰ মূল্য। দেশৰ প্ৰধান বজাৰ সমূহত এটা দিনৰ ভিতৰতে প্ৰতি কুইণ্টল পিঁয়াজৰ মূল্য ১০০০-১২০০ টকাৰ পৰা ১৮০০ টকা পৰ্যন্ত বৃদ্ধি পায়। অৱশ্যে বজাৰত পাইকাৰী মূল্য বৃদ্ধি পালেও এতিয়াও পিঁয়াজে সাধাৰণ গ্ৰাহকক কন্দুওৱা নাই। মন কৰিবলগীয়া যে, ডিচেম্বৰ মাহত কেন্দ্ৰই পিয়াঁজ ৰপ্তানিত নিষেধাজ্ঞা আৰোপ কৰাৰ পিছৰে পৰা পিয়াঁজ খেতিয়ক আৰু ব্যৱসায়ীসকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে৷ কৃষকসকলে অভিযোগ কৰি আহিছে যে কেন্দ্ৰৰ এই সিদ্ধান্তৰ ফলস্বৰূপে তেওঁলোকে দাম পোৱা নাই, আৰু পৰিণামস্বৰূপে শস্য খেতিৰ খৰচ সংগ্ৰহ কৰিবলৈ সংগ্ৰাম কৰিবলগীয়া হৈছে।

# মাজুলীতো সুদখোৰৰ বিৰুদ্ধে অভিযান আৰক্ষীৰ, ৫ সুদখোৰক গ্ৰেপ্তাৰ

**ই-সংবাদ, মাজুলী, ২১ ফেব্ৰুৱাৰীঃ** সুদ খোৰৰ মানসিক নিৰ্যাতনৰ বলি হৈ ৰাজ্য কেইবাগৰাকী ব্যৱসায়ীয়ে আত্মহননৰ দৰে চৰমপন্থা বাচি লোৱাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সুদখোৰৰ বিৰুদ্ধে কঠোৰ স্থিতি লৈছিল। তাৰ পাছতে অসম আৰক্ষী তৎপৰ হৈ ৰাজ্যজুৰি আৰক্ষীয়ে সুদ খোৰৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। মাজুলী জিলা আৰক্ষীয়েও সুদ খোৰ বিৰোধী অভিযান চলাইছে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা ৫ গৰাকী সুদ খোৰক আৰক্ষীয়ে আটক কৰিছে। জানিব পৰা মতে, মাজুলীত সুদখোৰ বিৰোধী অভিযানত জেংৰাইমূখ থানাৰ অন্তৰ্গত কুমাৰবাৰী গাঁৱৰ বিষ্ণু প্ৰসাদ মিলি আৰু ৰঙাচাহী বৰবাম গাঁৱৰ কৰুণা নাথক আটক কৰাৰ লগতে দুয়োগৰাকীৰ পৰা বিভিন্ন এটিএম কাৰ্ডসহ বিভিন্ন নথি পত্ৰ উদ্ধাৰ কৰে। মাজুলী আৰক্ষী থানাৰ অন্তৰ্গত ওপৰকাটনি গাঁৱৰ বিকাশ বৰা (অজিত) আৰু বনগাঁও আৰক্ষী চকীৰ এলেকাৰ আৰু মাজুলী আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰিৰ জিন বৰাকো একে অভিযান কালত আটক কৰাৰ লগতে সোধা-পোচাৰ অন্তত গ্ৰেপ্তাৰ কৰে। গড়মূৰ আৰক্ষীয়ে মধুপুৰ গাঁৱৰ পৰা জিণ্টু বৰাক আটক কৰিছে। অভিযান কালত জিন্টু বৰাৰ বাসগৃহৰ পৰা আৰক্ষীয়ে বহু নথি পত্ৰ উদ্ধাৰ কৰে। আটক কৰা আটাইকেইগৰাকী সুদ খোৰৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১২০বি/৪২০/৪০৬/৩৮৭/৪৬৮/৩০৬/৫০৬ ধাৰাত গোচৰ ৰুজু কৰে। গ্ৰেপ্তাৰ কৰি ৫ সুদখোৰক জিলা সত্ৰ ন্যায়াধীশ আদালতত হাজিৰ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে জনোৱা মতে আটাইকেইগৰাকী সুদ খোৰকে অধিক তথ্য আহৰণৰ বাবে ৭ দিনৰ আৰক্ষীৰ জিম্মাত বিচাৰিছিল যদিও আদালতে ৩ দিনৰ আৰক্ষী জিম্মাত প্ৰদান কৰে।

# নিবনুৱাৰে ভৰিছে অসম, এবছৰতে বাঢ়িল ১০ লাখ নিবনুৱা

**ই-সংবাদ, গুৱাহাটী, ২১ ফেব্ৰুৱাৰীঃ** ৰাজ্য চৰকাৰে অসমৰ অৰ্থনৈতিক সমীক্ষা ২০২৩-২৪ত প্ৰকাশিত তথ্যত নিবনুৱা সমস্যাৰ ভয়াবহ ৰূপ ধাৰণ কৰিছে তাৰ বহিঃপ্ৰকাশ ঘটিছে। সংস্থাপনৰ অভাৱত বছৰি লক্ষ লক্ষ নিবনুৱা বৃদ্ধি পাইছে। বিধানসভাৰ অধিবেশন চলি থকাৰ মাজতে বুধবাৰে শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈয়ে নিবনুৱা বৃদ্ধিৰ ভয়াবহ তথ্য ৰাজহুৱা কৰিছে। ২০২৩-২৪ চনৰ অসমৰ অৰ্থনৈতিক সমীক্ষাৰ কথা উল্লেখ কৰি অখিল গগৈয়ে কয় যে ২০১৬ চনত সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত অসমত নিবনুৱাৰ সংখ্যা আছিল ২০ লাখ। কিন্তু ক'ভিড সংক্ৰমণৰ ফলত ঘোষিত লকডাউনৰ পাছত ২০২১ চনত নিবনুৱাৰ সংখ্যা বাঢ়ি হ'ল গৈ ২২ লাখ ১২৫ জন। আশ্চৰ্যকৰ যে এই সংখ্যাৰ লগত মাত্ৰ এবছৰতে দহ লাখ নিবনুৱা বাঢ়িছে। অখিল গগৈয়ে বিধানসভা চৌহদত সাংবাদিকক সম্বোধন কৰি অসমৰ নিবনুৱা সমস্যাৰ ভয়াবহ ৰূপ ধাৰণ কৰা বুলি দোহাৰি কয় যে হিন্দু-মুছলমানৰ ৰাজনীতিত মত্ত হৈ থকাৰ সময়তে আৰু কোনে কাক বিয়া পাতিব, নাপাতিব, অথবা কি খাব, কি নাখাব জাতীয় কথাবোৰ সৰ্বত্ৰে চৰ্চা হৈ আছে। সেই সময়তে অসমৰ নিবনুৱা সমস্যাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। ২০২৩-২৪ৰ সমীক্ষাৰ তথ্য দি বিধায়ক অখিল গগৈয়ে কয় যে এই তথ্য মই দিয়া নাই। অসমৰ অৰ্থনৈতিক সমীক্ষা ২০২৩-২৪ত প্ৰকাশ কৰা তথ্য এয়া। কিন্তু প্ৰতিবছৰে বাজেট অধিৱেশনৰ পূৰ্বে প্ৰকাশ কৰা অসমৰ অৰ্থনৈতিক সমীক্ষাৰ তথ্যবোৰ আজিলৈকে সংবাদ মাধ্যমৰ বাতৰি নহ'ল বুলি আক্ষেপ প্ৰকাশ কৰে। এয়া অসম চৰকাৰৰ উন্নতি বুলিও তেওঁ অসমৰ বিজেপি নেতৃত্বাধীন চৰকাৰক কটাক্ষ কৰে। অখিল গগৈয়ে আৰু কয় যে মাতৃৰ কথা শুনিহে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিজেপি দলত যোগদান নকৰে। অসমত বিৰোধী নেতৃত্ব, ঘাইকৈ কংগ্ৰেছৰ মাজত হতাশা আৰু নিৰাশাৰ পৰিৱেশ বিৰাজ কৰিছে।

# মহানগৰীত ১০ হাজাৰৰো অধিক যান-বাহনৰ কৰ অনাদায়ীলৈ পৰিবহণ বিভাগৰ জৰুৰী জাননী

## ২০০ৰো অধিক গৃহত বিশেষ অভিযানকাৰী দলৰ অভিযান

**ই-সংবাদ, গুৱাহাটী, ২১ ফেব্ৰুৱাৰীঃ** আপুনি বাৰু যান-বাহনৰ যাৱতীয় কৰ এতিয়াও পৰিশোধ কৰা নাই নেকি? আজিয়ে অনলাইনযোগে অথবা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ গৈ যানবাহনৰ বকেয়াসহ যাৱতীয় সকলো কৰ আদায় দিয়ক। অন্যথা যিকোনো মুহূৰ্তত হাতত কৰ অনাদায়ী যান বাহনৰ সবিশেষ তথ্য লৈ আপোনাৰ দুৱাৰমুখত সদলবলে উপস্থিত হ'ব পৰিবহণ বিভাগৰ বিশেষ অভিযানকাৰী বিষয়া। কিয়নো কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে স্বয়ং ৰাজধানী মহানগৰখনত চূড়ান্ত কৰফাঁকিৰে ৰাজপথত বেপৰোৱাভাৱে চলা ১০ হাজাৰৰো অধিক কৰ অনাদায়ী যানবাহনৰ গৰাকীলৈ যানবাহন কৰ আইনৰ অধীনত জৰুৰী জাননী প্ৰেৰণ কৰি শীঘ্ৰে কৰ আদায়ৰ বাবে সকীয়নি দিছে। ইফালে কেইবা শতাধিক আবাসত পৰিবহণ বিভাগৰ বিশেষ অভিযানকাৰী দল অতৰ্কিতে প্ৰবেশ কৰি অনতিপলমে যানবাহনৰ কৰ পৰিশোধ নকৰিলে আগন্তুক দিনত সন্মুখীন হ'বপৰা ভয়ংকৰ অৱস্থাৰ কৰা সোঁৱৰাই দিয়ে। সময়মতে যানবাহনৰ কৰ পৰিশোধ নকৰি নিজকে ধোঁৱা তুলসীৰ পাত সজোৱা ১০ হাজাৰ যানবাহনৰ গৰাকীৰ নামসহ সবিশেষ তথ্য খুউব কমদিনৰ ভিতৰতে ৰাজহুৱা কৰা হ'ব বুলিও বিশেষ সূত্ৰে জানিব পৰা গৈছে। উল্লেখ্য যে, এগৰাকী দায়িত্বশীল নাগৰিক হিচাপে ৰাজ্যৰ উন্নয়নত প্ৰতিখন বাহনৰ গৰাকীৰে ভূমিকা অপৰিসীম। এই সন্দৰ্ভত ৰাজ্যৰ সহকাৰী পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্ববাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসে কয় যে, তাহানিৰ ৰজা-মহাৰজাৰ দিনৰ পৰাই ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত কৰ- কাটল দিয়াটো প্ৰজাৰ নিয়ম। আমি সকলোৱে জানো যে দেশৰ দায়িত্বশীল নাগৰিক সকলে আইনগতভাৱে নিৰ্ধাৰিত চৰকাৰী কৰ কাটলসমূহ সঠিক সময়ত নিয়মীয়াকৈ পৰিশোধ কৰি দেশৰ উন্নয়ন সাধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্য তথা এখন কল্যাণকামী ৰাষ্ট্ৰৰ অৰ্থনৈতিক ভেটি সবল কৰাত জনসাধাৰণৰ এই সহযোগিতা সদায় এক অমূল্য অবদান হিচাপে স্বীকৃত হৈ আহিছে। এনেক্ষেত্ৰত ৰাজ্য তথা দেশৰ উন্নয়নত প্ৰতিখন বাহনৰ গৰাকীয়ে নিজৰ অবদানৰ কথা ভাবি গৌৰৱ কৰাৰ লগতে এই মহৎ কাৰ্যৰ ভাগিদাৰ হৈ থাকিবলৈ নিজকে সমৰ্পিত কৰি ৰাখিব লাগে। কিয়নো যানবাহন আইনৰ নীতি-নিয়ম উলংঘা কৰিলেই বিপদ। সময়মতে কৰ পৰিশোধ কৰি নথিপত্ৰ নৱীকৰণ নকৰিলে বাহনখন অবৈধ বুলি বিবেচিত হয়। এনে বাহন চলাই যদি কোনো দুৰ্ঘটনাত পতিত হয়, ভগৱানে নকৰাওঁক কোনো লোক যদি সেই দুৰ্ঘটনাত হতাহত হয় তেন্তে ঘৰ-মাটি বিক্ৰী কৰি হ'লেও বাহনৰ গৰাকীয়ে সমস্ত ক্ষতিপূৰণ দিব লাগিব। কিয়নো নথিপত্ৰ সঠিক হৈ নথকা বাহনৰ বিপৰীতে বীমা কোম্পানীয়ে ক্ষতিপূৰণ নিদিবও পাৰে। সেয়ে নিজৰ বাহনৰ সক্ষমতাকলৈ নিশ্চিত হোৱাৰ লগতে পথেৰে চলাচল কৰা সকলোৰে প্ৰতি দায়বদ্ধ হ'ব লাগিব যানবাহনৰ গৰাকী। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক এখন দুৰ্ঘটনামুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে পথ সুৰক্ষাৰ লগত জড়িত বিভাগসমূহক দিয়া নিৰ্দেশনাত পথৰ যিকোনো আসোঁৱাহ, বিসঙ্গতি আদি দূৰ কৰি সকলো দিশতে সুচল ব্যৱস্থা গঢ়ি তোলা সন্দৰ্ভত আৰক্ষী প্ৰশাসন, আবকাৰী, লোকনিৰ্মাণ, ৰাষ্ট্ৰীয় পথ নিৰ্মানকাৰী সংস্থা আদি গুৰুত্বপূৰ্ণ বিভাগসমূহে অহৰহ চোকা দৃষ্টি ৰাখিছে। একেদৰে মুখ্যমন্ত্ৰী গৰাকীয়ে ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত ৰাজহ সংগ্ৰহকাৰী বিভাগসমূহক পানীনসৰকা ব্যৱস্থাৰে ৰাজহ সংগ্ৰহত মনোনিৱেশ কৰিবলৈ দিয়া নিৰ্দেশনাত যানবাহন পৰিদৰ্শক, প্ৰৱৰ্তক পৰিদৰ্শকৰ দলে নিৰন্তৰ সজাগতা সৃষ্টিৰ সমান্তৰালভাৱে দিনে-নিশাই নিছিদ্ৰ তালাচী অভিযান অব্যাহত ৰাখিছে। ইফালে বিশেষ অভিযানকাৰী দলটোৱে বিগত সময়চোৱাত মহানগৰীৰ ফেন্সীবজাৰ, আদাবাৰী, আঠগাওঁ, গণেশগুৰি, চানমাৰি, বশিষ্ঠ চাৰিআলি, চন্দ্ৰপুৰ, লখৰা, জালুকবাৰী, ভৰলু, পাণ্ডু, পল্টনবজাৰ, খানাপাৰা, নাৰেংগী, আজাৰা, ধাৰাপুৰ, যোৰাবাট, ক্ষেত্ৰী আদি গুৰুত্বপূৰ্ণ স্থানত ব্যক্তিগত-ব্যৱসায়িক বাহনৰ গৰাকীৰ ঘৰ, যানবাহন ব্যৱহাৰকাৰী উদ্যোগ-প্ৰতিষ্ঠান, নিৰ্মাণকাৰী সংস্থাত সদলবলে উপস্থিত হৈ অন্তিম জাননী অৰ্পণ কৰে। আনহাতে অহা ২৯ ফেব্ৰুৱাৰীৰ ভিতৰত যানবাহনৰ বকেয়াসহ সকলো কৰ আদায় নিদিলে অতিৰিক্তভাৱে জৰিমনা বিহাৰ লগতে অসম যানবাহন আইন ২০০৩ৰ ১০৯ A ধাৰা মতে বাহনৰ পঞ্জীয়ন বাতিল কৰি স্ক্ৰেপৰ বাবে প্ৰেৰণৰ ভয়ংকৰ তথ্যও সদৰি কৰে।

# দুলীয়াজানত শোকাৱহ পথ দুৰ্ঘটনাত থিতাতে নিহত শিক্ষয়িত্ৰী

**ই-সংবাদ, দুলীয়াজান, ২১ ফেব্ৰুৱাৰীঃ** আজি পুৱাই দুলীয়াজান-নাহৰকটীয়া সংযোগী বুঢ়ীদিহিং দলঙৰ সমীপত সংঘটিত হয় এক শোকাৱহ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত এগৰাকী শিক্ষয়িত্ৰী থিতাতে নিহত হয়। নিহত মহিলাগৰাকী নামৰূপৰ ডেইজী বকলীয়াল শইকীয়া বুলি জানিব পৰা গৈছে। জানিব পৰামতে এ এছ ০১ বিভি ০৪৫৭ নম্বৰৰ এখন স্কুটিৰে মাধপুৰ তিনিআলি সমীপৰ মেৰবিল প্ৰাথমিক বিদ্যালয়লৈ আহি থকাৰ সময়তে একে দিশৰ পৰা তীব্ৰবেগেৰে আহি থকা এখন ট্ৰাকে মহটিয়াই থৈ যায়। ফলত শিক্ষয়িত্ৰী গৰাকী থিতাতে নিহত হয়। দুৰ্ঘটনা সংঘটিত কৰিয়েই উক্ত স্থানৰ পৰা ট্ৰাকখনে পলায়ন কৰে। ঘটনাস্থলীত ততাতৈয়াকৈ দুলীয়াজান আৰক্ষী উপস্থিত হৈ মহিলাগৰাকীৰ মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰে। সম্প্ৰতি ঘটনা সংঘটিত কৰা বাহনখনক বিচাৰি তীব্ৰ অভিযান আৰম্ভ কৰিছে দুলীয়াজান আৰক্ষীয়ে। বিধ্বস্ত পথৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিছে। উল্লেখ্য যে বিগত বিধান সভা নিৰ্বাচনত তৰংগ গগৈক নিৰ্বাচনত জিকালে নাহৰকটীয়া সমষ্টিক দ্বিতীয় দিছপুৰ কৰি গঢ়ি তুলিম বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাহৰকটীয়াৰ ভোটাৰক প্ৰলোভন দিছিল। সেই নাহৰকটীয়া আৰু দুলীয়াজান বিধান সভা সমষ্টিৰ মাজভাগত, য'ৰপৰা কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ দুলীয়াজানস্থিত বাসগৃহ মাত্ৰ তিনি কিলোমিটাৰ দূৰৈত অৱস্থিত, তেনে এক স্থানত পথৰ বিধ্বস্ত ৰূপৰ বাবে এগৰাকী শিক্ষয়িত্ৰীয়ে দুৰ্ঘটনাত পতিত হৈ অকালতে মৃত্যুবৰণ কৰিব লগা ঘটনাই সকলোকে ক্ষোভিত কৰি তুলিছে। দুৰ্ঘটনাস্থলীত শতাধিক স্থানীয় লোক সমৱেত হৈ জনপ্ৰতিনিধিৰ এনে দায়িত্বজ্ঞানহীনতাক ধিক্কাৰ দিয়াৰ লগতে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰে।

## পিছলি পৰি আহত সাংসদ তপন গগৈ

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে দলীয় কাম-কাজত ব্যস্ত থকা যোৰহাট লোকসভা সমষ্টিৰ বিজেপি সাংসদ তপন কুমাৰ গগৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে৷ দিখৌমুখত এক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ যোৱাৰ সময়তে পিছলি পৰি সোঁ ভৰিত আঘাত পায় সাংসদ তপন কুমাৰ গগৈ৷ ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছে। বৰ্তমান বিশেষজ্ঞ চিকিৎসকৰ নিৰীক্ষণ ৰখা হৈছে বুলি জানিব পৰা গৈছে৷

## গৌতম দাসক উপ পৰিবহণ আয়ুক্তলৈ পদোন্নতি

**ই-সংবাদ, গুৱাহাটী, ২১ ফেব্ৰুৱাৰীঃ** জনসেৱাৰ স্বাৰ্থত অসম পৰিবহণ সেৱা বিধি, ২০০৩ৰ অধীনত অসম চৰকাৰৰ পৰিবহণ বিভাগৰ সহকাৰী পৰিবহণ আয়ুক্ত গৌতম দাসক উপ-পৰিবহণ আয়ুক্তলৈ পদোন্নতি দিয়া হয়৷ এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগে পৰিবহণ সচিব আদিল খানৰ স্বাক্ষৰযুক্ত TMV/E-129057/462 নং অধিসূচনা অনুসৰি গৌতম দাসক পৰিবহণ উপ আয়ুক্তলৈ পদোন্নতিৰ কথা ঘোষণা কৰে। একে অধিসূচনাযোগে সহকাৰী পৰিবহণ আয়ুক্ত ভাস্কৰ জ্যোতি দত্তক উপ আয়ুক্ত, কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া আৰু আঞ্চলিক পৰিবহণ প্ৰাধিকাৰী তামচিন আফটাবক সহকাৰী পৰিবহণ আয়ুক্তলৈ পদোন্নতি দিয়ে। উল্লেখ্য যে বিগত সময়চোৱাত ৰাজ্যৰ পৰিবহণ খণ্ডলৈ অভিলেখ সংখ্যক ৰাজহ সংগ্ৰহ আৰু পথ-সুৰক্ষা সজাগতাৰ ক্ষেত্ৰত ব্যাপক জনসচেতনতা সৃষ্টিত উল্লেখনীয় বৰঙণি আগবঢ়াই অহা গৌতম দাসক উপ আয়ুক্তলৈ পদোন্নতি দিয়াত ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

## নলবাৰীৰ মহাকালী আশ্ৰমত মহাচণ্ডী যজ্ঞ

**ই-সংবাদ, নলবাৰী, ২১ ফেব্ৰুৱাৰীঃ** আজিৰে পৰা নলবাৰীৰ খুদিয়া মা মহাকালী আশ্ৰমত বাৰ্ষিক চণ্ডী যজ্ঞ আৰম্ভ হৈছে। ৪১ বাৰ্ষিক শ্ৰী শ্ৰী মহাচণ্ডী যজ্ঞ বুধবাৰৰ পৰা আৰম্ভ কৰি শনিবাৰলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হোমযজ্ঞৰ অনুষ্ঠিত কৰা হ'ব। বুধবাৰে পুৱা স্বচ্ছ ভাৰত অভিযান, পতাকা উত্তোলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হয়। মা মহাকালী আশ্ৰমখন প্ৰয়াত নামাচাৰ্য্য ৰাজীৱ গোস্বামীয়ে ১৯৮৩ চনত প্ৰতিষ্ঠা কৰিছিল৷ তেতিয়াৰ পৰাই মা মহাচণ্ডী যজ্ঞ অনুষ্ঠিত কৰি আহিছে৷ পতাকা উত্তোলন কৰে নামাচাৰ্য্য ৰাজীৱ গোস্বামীৰ সহধৰ্মিনী আচাৰ্য্যা মৰমী গোস্বামীয়ে। স্বচ্ছ ভাৰত অভিযানত অংশগ্ৰহণ কৰে স্থানীয় ৰাইজৰ লগতে মন্দিৰ পৰিচালনা সমিতিৰ বিষয়-ববীয়াসকলে। নামাচাৰ্য্য ৰাজীৱ গোস্বামীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মন্দিৰ পৰিচালনা সমিতিৰ সঞ্চালিকা সুস্মিতা গোস্বামীয়ে।

শেষ পৃষ্ঠা

# পুণে চেলেঞ্জাৰ্ছৰ কোৱাৰ্টাৰত শশীকুমাৰ

**পুণে, ২১ ফেব্ৰুৱাৰীঃ** পুণে চেলেঞ্জাৰ্ছ এ টি পি টুৰ্ণামেণ্টৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ শশীকুমাৰ মুকুণ্ড। প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত তেওঁ বৃটেইনৰ ফেলিক্স গীলক ৬-১, ৬-০ ছেটত পৰাজিত কৰে। ইফালে টুৰ্ণামেণ্টখনৰ ডব'লছত প্ৰথম বাছনিৰ নিকি কালিয়ান্দা পোনাচা আৰু ঋত্বিক চৌধাৰী বল্লিপল্লীয়ে অৰ্জুন খেড়ে আৰু জীৱন নেদুনচেক ৬-৩, ৬-৩ ত আৰু ৰামকুমাৰ ৰামনাথন আৰু ছাকেথ মায়নেনীৰ যুটিয়ে অষ্ট্ৰেলিয়াৰ মেথিউ খ্ৰীষ্ট'ফাৰ আৰু পোলেণ্ডৰ পিত্ৰ মাতুচজেৱস্কিক ৭-৬, ৬-৪ ছেটত পৰাজিত কৰে। ইফালে আন এটি ভাৰতীয় যুটি সিদ্ধান্ত ভাটিয়া আৰু পৰীক্ষিত চোমানীও প্ৰতিযোগিতাখনীৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

# ভাৰতে ল'লে বিদায়

**বুছান, ২১ ফেব্ৰুৱাৰীঃ** বিশ্ব টেবুল টেনিছ চেম্পিয়নশ্বিপৰ পৰা ভাৰতে বিদায় মাগিছে। আজি টুৰ্ণামেণ্টৰ প্ৰি-কোৱাৰ্টাৰত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দলে পৰাজিত হয়। পুৰুষৰ দলটোৱে শক্তিশালী দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ৩-০ ব্যৱধানত হাৰ মানে। দলটোৰ হাৰ্মিত দেশাই, সত্য জ্ঞানছেকাৰন আৰু আসান্ত শৰথ কমল কোনেও এখনো মেছত জয়লাভ কৰিব নোৱাৰিলে। ইফলে মহিলাৰ শাখাত চাইনিজ টাইপেৰ বিৰুদ্ধে জয়ৰে অভিযান আৰম্ভ কৰা ভাৰতীয় দলটো ইয়াৰ পিছত তিনিওখন মেছত হাৰ মানে। অভিজ্ঞ মনিকা বাত্ৰাই প্ৰথমখন মেছত জয়ী হয়। ইয়াৰ পিছত শ্ৰীজা অকুলা আৰু অইহিকা মুখাৰ্জীয়ে পৰাস্ত হোৱাৰ পিছত ৰিচাৰ্ছ গেমত মনিকাও হাৰ মানে। তেনেদৰে মহিলা দলটোও প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব লগীয়া হয়।



Ads Via G-Adsense

# ঘৰিয়ালক চুমা দিওতে ঘটিল অথন্তৰ! ভিডিঅ' ভাইৰেল



**অনলাইন ফিচাৰ্ছ, ২১ ফেব্ৰুৱাৰীঃ** এটা ঘৰিয়ালৰ পোৱালিক চুমা খাবলৈ গৈ অথন্তৰ ঘটিল এজন ব্যক্তিৰ। সামাজিক মাধ্যমত শেহতীয়াকৈ ভাইৰেল হৈ পৰিছে তেনে এক ভিডিঅ'। এই ভিডিঅ'টো ভাইৰেল হৈ পৰাৰ পিছতে বিভিন্ন ধৰণে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে নেটিজেনেও। 'লুইচ ৰামিৰেজ' নামৰ এগৰাকী ব্যৱহাৰকাৰীয়ে ইনষ্টাগ্ৰামত পোষ্ট কৰা ভিডিঅ'টোত এজন ব্যক্তিয়ে হাতত লৈ থকা এটা কণমানি ঘৰিয়ালৰ পোৱালিক চুমা খাবলৈ চেষ্টা কৰা দেখিবলৈ পোৱা গৈছে। কিন্তু ঠিক তেতিয়াই অমতা জীৱটোৱে ব্যক্তিজনৰ নাকত কামুৰি দিয়ে, যাৰ ফলত তেজ ওলাবলৈ আৰম্ভ কৰে। ঘৰিয়ালৰ পোৱালিটোক মৰম কৰিবলৈ গৈ এনেদৰে নাকত বেণ্ডেড লগাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱা ব্যক্তিজনৰ বাবে ছ'চিয়েল মিডিয়াত কোনোৱে যদি ইস আস্ কৰিছে, আন কোনোৱে আকৌ হাঁহি আমোদ লৈছে। আনহাতে একাংশই ভিডিঅ'টো প্ৰত্যক্ষ কৰি মৰম-ভালপোৱাৰ নামত জীৱ-জন্তুৰ ওপৰত মানুহে চলাই অহা অত্যাচাৰৰ গম্ভীৰ বিষয়টো উত্থাপন কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com